# RANGE LEVEL DEBATE COMPETITION
# ON 'HUMAN RIGHT' ORGANISED BY ASSAM POLICE
# HELD AT SARAIGHAT COLLEGE
# ON 28TH JANUARY, 2023

## আৰক্ষী বিভাগৰ বৌদ্ধিক তৰ্ক প্ৰতিযোগিতা

## উপ-পৰিদৰ্শক মুকুন্দ্ৰ উপাধ্যায়, কনিষ্টবল মৃদুপৱন-শিৰোমণি হাজৰিকালৈ পুৰস্কাৰ



**আমাৰ খবৰ, চাংসাৰি, ২৯ জানুৱাৰী ঃ** অসম আৰক্ষী বিভাগে আৰক্ষী বিষয়া আৰু জোৱানৰ মাজত এক বৌদ্ধিক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰে চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয় বাকৰিত। কালি ইতিমধ্যে ৰাজ্যখনৰ কেইবাখনো জিলাৰ পৰা অহা বহুকেইগৰাকী আৰক্ষী বিষয়া জোৱানৰ অংশগ্ৰহণেৰে প্ৰতিযোগিতাখন সম্পন্ন হৈ যায়। ' দেশৰ বৰ্তমানৰ আইন ব্যৱস্থাই আৰক্ষীক নাগৰিকৰ মানৱ অধিকাৰ ভংগ কৰিবলৈ অধিক ক্ষমতা প্ৰদান কৰিছে' শীৰ্ষক বিষয়ৰ ওপৰত প্ৰধানতঃ বৌদ্ধিক তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হৈছিল। উক্ত মনোগ্ৰাহী আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠানটিত বিশেষকৈ নগাঁও, মৰিগাঁও, দৰং, নলবাৰী আৰু কামৰূপ জিলাৰ আৰক্ষী বিভাগৰ বিষয়াৰ লগতে কনিষ্টবলসকলে অংশগ্ৰহণ কৰে। তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীয়ে নিৰ্ধাৰিত বিষয়বস্তু সপক্ষে আৰু বিপক্ষে নিজৰ বুদ্ধিমত্তাৰে সুন্দৰ যুক্তি প্ৰদৰ্শনেৰে অনুষ্ঠানটো উজ্জীৱিত কৰি তোলে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে উপ-পৰিদৰ্শক মুকুন্দ্ৰ উপাধ্যায়ৰ লগতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে কনিষ্টবলদ্বয় মৃদুপৱন গায়ন আৰু শিৰোমণি হাজৰিকাই। উল্লেখ্য যে অসম আৰক্ষী বিভাগে আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ অধ্যক্ষ হিচাপে পৰিচালনা কৰে শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই। একেদৰে বিচাৰকৰ দায়িত্বত থাকে ড° জিতুল আলী আৰু ড° ধনেশ্বৰ কলিতা। অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে কামৰূপ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক, আৰক্ষী পৰিদৰ্শক, চাংসাৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীসকল।




## শৰাইঘাট কলেজত আৰক্ষী বিষয়া জোৱানৰ মাজত তৰ্ক প্ৰতিযোগিত

**নিয়মীয়া বাৰ্তা, চাংসাৰি, ৩১ জানুৱাৰী ঃ** অসম আৰক্ষী বিভাগে আৰক্ষী বিষয়া আৰু জোৱানৰ মাজত এক বৌদ্ধিক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰে চাংসাৰিস্থিত শৰাইঘাট কলেজৰ বাকৰিত। অলপতে ৰাজ্যখনৰ কেইবাখনো জিলাৰ পৰা অহা বহুকেইগৰাকী আৰক্ষী বিষয়া-জোৱানৰ অংশগ্ৰহণেৰে প্ৰতিযোগিতাখন সম্পন্ন হৈ যায়। 'দেশৰ বৰ্তমানৰ আইনী ব্যৱস্থাই আৰক্ষীক নাগৰিকৰ মানৱ অধিকাৰ ভংগ কৰিবলৈ অধিক ক্ষমতা প্ৰদান কৰিছে' শীৰ্ষক বিষয়ৰ ওপৰত প্ৰধানতঃ বৌদ্ধিক তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হৈছিল। উক্ত মনোগ্ৰাহী আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠানটিত বিশেষকৈ নগাঁও, মৰিগাঁও, দৰং, নলবাৰী আৰু কামৰূপ জিলাৰ আৰক্ষী বিভাগৰ বিষয়াৰ লগতে কনিষ্টবলসকলে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীয়ে নিৰ্ধাৰিত বিষয়বস্তুৰ সপক্ষে আৰু বিপক্ষে নিজৰ নিজৰ বুদ্ধিমত্তাৰে সুন্দৰ যুক্তি প্ৰদৰ্শনেৰে অনুষ্ঠানটো উজ্জীৱিত কৰি তোলে। অনুষ্ঠানটোত শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, সংগঠ
সভাপতি তথা বিজেপি সংখ্যালঘু মৰ্চাৰ অসম ৰাজি
সমিতিৰ উপ-সভাপতি তবিবৰ ৰহমান উপস্থিত থা
প্ৰতিযোগিতাত ভাগ লোৱা আৰক্ষী বিষয়
জোৱানসকলক উৎসাহিত কৰে। প্ৰতিযোগিতাখ
প্ৰথম পুৰস্কাৰ লাভ কৰে উপ-পৰিদৰ্শক মুকুন্দ্ৰ উপাধ্যা
লগতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰ
কনিষ্টবলদ্বয় মৃদুপৱন গায়ন আৰু শিৰো
হাজৰিকাই। উল্লেখ্য যে অসম আৰক্ষী বিভ
আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ অধ
হিচাপে পৰিচালনা কৰে শৰাইঘাট মহাবিদ্য
সন্মানীয় অধ্যক্ষ ড° মণি শৰ্মাই। একেদৰে বিচাৰ
দায়িত্বত থাকে ড° জিতুল আলী আৰু ড° ধনে
কলিতা। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থ
কামৰূপ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক, আ
পৰিদৰ্শক আৰু চাংসাৰি আৰক্ষী থানাৰ ভাৰ
বিষয়াৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীসকল